# উপসংহাৰ

অসম ৰাজ্যখন নানা জাতি-জনগোষ্ঠীৰ মিলনভূমি। ইয়াত বিভিন্ন ভাষাভাষী, ধৰ্মাৱলম্বীৰ লোকে বাস কৰে। অসমৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ মাজত নানা লোকবিশ্বাস আৰু লোকাচাৰসমূহৰ প্ৰচলন আছে। জন্মৰ পৰা মৃত্যুলৈকে, খেতি-বাতিৰ পৰা জীৱ-জন্তু, চৰাই, চিৰিকটিলৈ কোনো এটা ঠাইৰ পৰা লোকবিশ্বাস আৰু লোকাচাৰসমূহ আতৰি অহা নাই। আমাৰ গৱেষণা গ্ৰন্থখন প্ৰস্তুত কৰোঁতে কোচ ৰাজবংশী জনগোষ্ঠীৰ বিভিন্ন লোকবিশ্বাস আৰু লোকাচাৰসমূহৰ তথ্য সংগ্ৰহ কৰি সেইবোৰ বিচাৰ কৰি চোৱা হৈছে।

গৱেষণা গ্ৰন্থখনৰ অৱতৰণিকাত বিষয়বস্তুৰ চমু আভাষ, অধ্যয়ণ ক্ষেত্ৰ আৰু অধিবাসী, লক্ষ্য আৰু উদ্দেশ্য, অধ্যয়ণৰ প্ৰয়োজনীয়তা পদ্ধতি, তথ্য সংগ্ৰহ আৰু জ্ঞান বিকাশত সহায় সম্পৰ্কে চমুকৈ আলোচনা কৰা হৈছে।

প্ৰথম অধ্যায়ত কোচ-ৰাজবংশী জনগোষ্ঠীৰ চমু পৰিচয়, লোকসংস্কৃতি, লোকবিশ্বাস আৰু লোকাচাৰৰ সংজ্ঞা, স্বৰূপ সম্পৰ্কে আলোচনা কৰা হৈছে।

দ্বিতীয় অধ্যায়ত কোচ ৰাজবংশী জনগোষ্ঠীৰ জন্ম সম্পৰ্কীয় লোকবিশ্বাস আৰু লোকাচাৰ সম্পৰ্কে আলোচনা কৰা হৈছে। ইয়াত গৰ্ভধাৰণৰ পৰা অন্নপ্ৰাশন লৈকে লোকবিশ্বাস আৰু লোকাচাৰ কিদৰে পালন কৰা হয় সেই সম্পৰ্কে আলোচনা কৰা হৈছে।

তৃতীয় অধ্যায়ত কোচ ৰাজবংশী জনগোষ্ঠীৰ বিবাহ সম্পৰ্কীয় লোকবিশ্বাস আৰু লোকাচাৰৰ বিষয়ে আলোচনা কৰা হৈছে। ইয়াত কোচ ৰাজবংশী জনগোষ্ঠীৰ বিবাহ পদ্ধতিৰ পৰা আৰম্ভ কৰি অষ্টমংগল লৈকে সকলো লোকবিশ্বাস আৰু লোকাচাৰ সম্পৰ্কে আলোচনা কৰা হৈছে।

চতুৰ্থ অধ্যায়ত কোচ ৰাজবংশী জনগোষ্ঠীৰ মৃত্যু সম্পৰ্কীয় লোকবিশ্বাস আৰু লোকাচাৰ সম্পৰ্কে আলোচনা কৰা হৈছে। ইয়াত কোচ ৰাজবংশী জনগোষ্ঠীৰ মৃত্যুৰ পৰা আৰম্ভ কৰি মৃত্যু হোৱাৰ পিছত শ্মশানত দাহ সংস্কাৰ আৰু এবছৰলৈ কৰা নীতি-নিয়মবোৰৰ কথা আলোচনা কৰা হৈছে।

পঞ্চম অধ্যায় অৰ্থাৎ শেষ অধ্যায়ত কোচ ৰাজবংশী জনগোষ্ঠীৰ জন্ম, বিবাহ আৰু মৃত্যু

সম্পৰ্কীয় লোকবিশ্বাসবোৰৰ সাধাৰণ বৈশিষ্ট্য, পৰম্পৰা আৰু পৰিৱৰ্তনৰ বিষয়ে আলোচনা কৰা হৈছে।

কোচ ৰাজবংশী সমাজৰ জন্ম-বিবাহ আৰু মৃত্যুৰ লগত জড়িত লোকবিশ্বাস আৰু লোকাচাৰসমূহৰ অধ্যয়নে সমাজখনৰ মাজত অন্তর্নিহিত হৈ থকা সাংস্কৃতিক সমন্বয়ৰ ছবিখন দেখিবলৈ পোৱা গ'ল। শেষত এই গৱেষণাই আৰু গৱেষণাৰ বাট মুকলি কৰিব বুলি ক'ব পাৰি।